Under CSR Support by ipca | Foundation
missiongyan LET'S LEARN TOGETHER

# অধ্যায় - ৫ | জীৱৰ মৌলিক একক

QUIZ-01

**1. কোষৰ আৱিষ্কাৰ প্ৰথমে কোনে কৰিছিল ?**
A. ৰ'বাৰ্ট ব্ৰাউন
B. ৰ'বাৰ্ট হুক
C. লিউৱেনহ'ক
D. ডাল্টন
**Answer:** B
**Explanation:** 1665 চনত ৰ'বাৰ্ট হুকে নিজৰ নিৰ্মিত অণুবীক্ষণ যন্ত্ৰৰ সহায়ত কৰ্কৰ পাতল অংশত সৰু সৰু খোঁটালি দেখা পাই সেইবোৰক "কোষ" বুলি নাম দিছিল।

**2. কোষক কিয় জীৱৰ মৌলিক একক বুলি কোৱা হয় ?**
A. কাৰণ কোষে জীৱনধাৰণৰ সকলো কাম কৰে
B. কাৰণ ই শৰীৰৰ অতি ডাঙৰ অংশ
C. কাৰণ ই কেৱল উদ্ভিদত থাকে
D. কাৰণ ই অনাৰ্থক অংগ
**Answer:** A
**Explanation:** প্ৰতিটো কোষে পুষ্টি, নিঃসৰণ, বৃদ্ধি, শ্বাস-প্ৰশ্বাস আদি সকলো জীৱন কাৰ্য সম্পন্ন কৰে; সেয়েহে একে জীৱৰ গঠন আৰু কাৰ্যৰ মৌলিক একক।

**3. এককোষী জীৱৰ উদাহৰণ কোনটো ?**
A. বেক্টেৰিয়া
B. মানুহ
C. উদ্ভিদ
D. ভেঁকুৰ
**Answer:** A
**Explanation:** এককোষী জীৱৰ সকলো জীৱন কাৰ্য এটা কোষেই সম্পন্ন কৰে, যেনে — বেক্টেৰিয়া, ক্লেমাইডোম'নাচ, এমিবা।

**4. কোষাবৰণক চয়নাত্মকভেদ্য আৱৰণ বুলি কিয় কোৱা হয় ?**
A. সকলো পদাৰ্থ পাৰ হয়
B. কোনো পদাৰ্থ পাৰ নহয়
C. কেৱল নিৰ্বাচিত পদাৰ্থহে পাৰ হয়
D. কেৱল গেছ পাৰ হয়
**Answer:** C
**Explanation:** কোষাবৰণক selective permeable membrane বোলা হয়, কাৰণ ই কেৱল কিছুমান পদাৰ্থক ভিতৰলৈ বা বাহিৰলৈ যাবলৈ অনুমতি দিয়ে।

**5. পানীৰ অণুৱে অৰ্ধভেদ্য আৱৰণ পাৰ হোৱাৰ প্ৰক্ৰিয়াক কি বোলা হয় ?**
A. ব্যাপন
B. আসৃতি
C. প্ৰসাৰণ
D. স্ফুটন
**Answer:** B
**Explanation:** আসৃতি হৈছে পানীৰ অণুৱে অধিক ঘনত্বৰ পৰা কম ঘনত্বৰ দিশে অৰ্ধভেদ্য আৱৰণ পাৰ হোৱাৰ প্ৰক্ৰিয়া।

**6. উদ্ভিদ কোষৰ কোষবেৰ কিহৰ দ্বাৰা গঠিত ?**
A. প্ৰ'টিন
B. ছেলুলজ
C. লিপিড
D. ষ্টাৰ্চ
**Answer:** B
**Explanation:** উদ্ভিদ কোষৰ কোষবেৰ ছেলুলজেৰে গঠিত, যি কোষক গাঠনিক শক্তি দিয়ে আৰু সুৰক্ষা প্ৰদান কৰে।

**7. লাইছ'জমক কিয় 'আত্মহত্যাৰ মোনা' বুলি কোৱা হয় ?**
A. কাৰণ ই কোষৰ বাহিৰৰ পদাৰ্থ ধ্বংস কৰে
B. কাৰণ ই এনজাইমেৰে নিজৰ কোষ হজম কৰে
C. কাৰণ ই বতাহ শোষণ কৰে
D. কাৰণ ই কোষৰ ৰং নিয়ন্ত্ৰণ কৰে
**Answer:** B
**Explanation:** যেতিয়া কোষ ক্ষতিগ্ৰস্ত হয়, লাইছ'জমৰ এনজাইমবোৰ ফাটি যাই নিজৰ কোষক ধ্বংস কৰে, সেয়েহে তাক আত্মঘাতী মোনা বোলা হয়।

**8. কোষৰ শক্তিকেন্দ্ৰ কোনটো অংগাণু ?**
A. ৰাইব'জ'ম
B. মাইট'কণ্ড্ৰিয়া
C. গলজি সংঘ
D. লাইছ'জ'ম
**Answer:** B
**Explanation:** মাইট'কণ্ড্ৰিয়াত ATP উৎপন্ন হয়, যাক "কোষীয় শক্তিৰ মুদ্ৰা" বোলা হয়; সেয়েহে ই শক্তিকেন্দ্ৰ হিচাপে পৰিচিত।

**9. প্ৰ'টিন সংশ্লেষণ ক'ত হয়?**
A. মাইট'কণ্ড্ৰিয়া
B. ৰাইব'জ'মত
C. গলজি সংঘত
D. ৰসধানীত
**Answer:** B
**Explanation:** ৰাইব'জ'ম হৈছে প্ৰ'টিন গঠনৰ স্থান; সেয়ে তাক কোষৰ প্ৰ'টিন ফেক্টৰী বুলি ধৰা হয়।

**10. নতুন কোষ গঠনৰ বাবে হোৱা কোষ বিভাজনৰ দুটা ধৰণ কি কি ?**
A. মাইট'ছিছ আৰু মিঅ'ছিক
B. আসৃতি আৰু ব্যাপন
C. প্ৰসাৰণ আৰু সংকোচন
D. গলন আৰু স্ফুটন
**Answer:** A
**Explanation:** মাইট'ছিছত বৃদ্ধি আৰু মিঅ'ছিছত প্ৰজননৰ বাবে নতুন কোষ সৃষ্টি হয়; দুয়োটাই কোষ বিভাজনৰ প্ৰধান ধৰণ।

Video COURSES | QUIZ | TEST SERIES
Download Mission Gyan App
100% FREE!

DOWNLOAD MISSION GYAN APP